**অসম বিধান সভা**

**তৰাবিহীন প্ৰশ্ন নং -৪৯১**

**উত্তৰ দিয়াৰ তাৰিখ – ২৩-০৭-২০২৬**

**বিষয়ঃ অপ্ৰাদেশীকৃত বিদ্যালয়**

**বিধায়ক: শ্ৰীধৰ্মেশ্বৰ ৰয়ঃ**

**প্ৰশ্ন**

**माननीय শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ**

(ক) চৰকাৰে বজালী মহাবিদ্যালয়ক ভট্টদেৱ বিশ্ববিদ্যালয়লৈ উন্নীত কৰিলে যদিও ভট্টদেৱ বিশ্ববিদ্যালয়ৰ চৌহদ পাঠশালাৰ পৰা মেধিকুছিলৈ স্থানান্তৰ কৰা হৈছে। উক্ত মহাবিদ্যালয়খন পূৰ্বৰ স্থানতে বাহাল ৰখাৰ বাবে ৰাইজে চৰকাৰক আবেদন জনাইছে। এইক্ষেত্ৰত চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে ?

(খ) বৰ্তমান অসমত মুঠ কিমানখন অপ্ৰাদেশীকৃত বিদ্যালয় আছে ? বজালী সমষ্টিত কিমানখন এনে বিদ্যালয় আছে আৰু এই সমূহ কেতিয়া প্ৰাদেশিকীকৰণ কৰিব ? সম্পূৰ্ণ তালিকা দিব।

**উত্তৰ**

**माननीय উচ্চ শিক্ষা বিভাগৰ মন্ত্ৰী ডাঃ ৰণোজ পেগু দেৱে উত্তৰ দিব :-**

(ক) ভট্টাদেৱ বিশ্ববিদ্যালয়ৰ পঞ্জীয়কে প্ৰদান কৰা তথ্য অনুসৰি বজালী মহাবিদ্যালয়খন বিশ্ববিদ্যালয়লৈ উন্নীতকৰণৰ পিছত ভট্টদেৱ বিশ্ববিদ্যালয়ৰ পৰিচালনা সন্দৰ্ভত স্থানীয় বাসিন্দাসকলে প্ৰকাশ কৰা উদ্বেগক চৰকাৰে লক্ষ্য কৰিছে।

এই সন্দৰ্ভত উল্লেখ কৰা হৈছে যে পাঠশালাৰ পূৰ্বৰ বজালী মহাবিদ্যালয় চৌহদৰ কাম-কাজ বন্ধ কৰাৰ কোনো সিদ্ধান্ত লোৱা হোৱা নাই। পঞ্জীয়কে জনোৱা মতে, ভট্টদেৱ বিশ্ববিদ্যালয়ে ইয়াৰ বৰ্তমানৰ পাঠশালা চৌহদৰ লগতে নতুনকৈ প্ৰতিষ্ঠিত মেধিকুছি চৌহদৰ পৰাও কাম কৰি যাব। বিশ্ববিদ্যালয়ৰ শৈক্ষিক , প্ৰশাসনিক আৰু প্ৰতিষ্ঠানিক কাম-কাজ দুয়োটা কেম্পাছৰ পৰাই বিশ্ববিদ্যালয়ৰ প্ৰয়োজনীয়তা আৰু যোগ্য কৰ্তৃপক্ষৰ সিদ্ধান্ত অনুসৰি সম্পন্ন কৰিব।

সেই অনুসৰি চৰকাৰে নিশ্চিত কৰিছে যে পাঠশালাত বৰ্তমানৰ চৌহদটো মেধিকুছি চৌহদৰ সমান্তৰালভাৱে কাৰ্যক্ষম হৈ থাকিব। নতুন কেম্পাছ স্থাপনৰ জৰিয়তে বিশ্ববিদ্যালয়ৰ আন্তঃগাঁথনি সম্প্ৰসাৰণৰ উদ্দেশ্যে শৈক্ষিক সুবিধা আৰু প্ৰতিষ্ঠানিক ক্ষমতা বৃদ্ধি কৰা আৰু ইয়াৰ দ্বাৰা পাঠশালাত বৰ্তমানৰ কেম্পাছৰ কাৰ্য্যকলাপত কোনো ধৰণৰ বিৰূপ প্ৰভাৱ নপৰে।

(খ) মাধ্যমিক শিক্ষা সঞ্চালকালয়, অসমৰ পৰা প্ৰাপ্ত তথ্য মতে The Assam Education (Provincialisation of Services of Teachers and Re-organisation of Educational Institutions) Amendment Act, 2025 (প্ৰাদেশিকীকৰণ আইন ২০২৫) অনুসৰি চৰকাৰে Provincialisation Management System নামৰ এটি প'ৰ্টেল (Portal) মুকলি কৰিছে আৰু উক্ত প'ৰ্টেলত অপ্ৰাদেশিকীকৃত বিদ্যালয়সমূহে প্ৰাদেশিকীকৰণৰ বাবে আবেদন কৰিব পৰা প্ৰক্ৰিয়া ইতিমধ্যে আৰম্ভ হৈছে। উক্ত আবেদন সমূহ পৰীক্ষা নিৰীক্ষা কৰাৰ অন্তত মাধ্যমিক

শিক্ষা সঞ্চালকালয়ৰ আওঁতাত পৰা অপ্ৰাদেশিকীকৃত উচ্চ মাধ্যমিক বিদ্যালয় , উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু কনিষ্ঠ মহাবিদ্যালয়ৰ তথ্য জনাব পৰা যাব।

আনহাতে, প্ৰাথমিক শিক্ষা সঞ্চালকালয় , অসমে জনোৱা সমল অনুসৰি, UDISE - 2025-26 ৰ তথ্য মতে ৰাজ্যত **১৮১৮** খন অপ্ৰাদেশিকৃত নিম্ন প্ৰাথমিক বিদ্যালয় আৰু **১০১৪** খন অপ্ৰাদেশিকৃত উচ্চ প্ৰাথমিক বিদ্যালয় আছে। তদুপৰি, জিলা প্ৰাথমিক শিক্ষা বিষয়া , বজালীয়ে জনোৱা অনুসৰি বজালী সমষ্টিত **১৩** খন অপ্ৰাদেশিকৃত নিম্ন আৰু উচ্চ প্ৰাথমিক বিদ্যালয় আছে। তালিকা **পৰিশিষ্ট 'ক'** ত সংলগ্ন কৰা হ'ল।

এই বিদ্যালয়সমূহৰ প্ৰাদেশিকীকৰণৰ সন্দৰ্ভত জনোৱা হয় যে , প্ৰাদেশিকীকৰণ আইন ২০১৭, সংশোধনী আইন ২০২৫ প্ৰৱৰ্তনৰ পিছত PMS প'ৰ্টেল (Provincialization Management System) মুকলি কৰি দিয়া হৈছে আৰু এই সংশোধনী আইনৰ আওতাত নিজকে যোগ্য বুলি ভবা বিদ্যালয়সমূহৰ এই প 'ৰ্টেলত আবেদন জমা দিয়া প্ৰক্ৰিয়াৰ কাম বৰ্তমানো অব্যাহত আছে। এই প'ৰ্টেলৰ অন্তৰ্গত "গুৰুদক্ষিণা" বুলি আন এটা শিতান খোলা হৈছে, যাৰ জৰিয়তে ২০১৭ চনৰ আইনৰ আওতাত প্ৰাদেশিকীকৰণ হোৱা শিক্ষানুষ্ঠানত কৰ্মৰত যোগ্য বিবেচিত নোহোৱাৰ ফলত পদ প্ৰাদেশিকীকৰণ নোহোৱা শিক্ষকসকলে আবেদন কৰিব পাৰে। প্ৰাদেশিকীকৰণৰ আওতাত নপৰা এইসকলৰ আবেদন জমা দিয়াৰ প্ৰক্ৰিয়াও বৰ্তমান অব্যাহত আছে। এই ক্ষেত্ৰত নিৰ্দিষ্ট বিধি তথা প্ৰশাসনিক অনুমোদন সাপেক্ষে প্ৰক্ৰিয়াটোৰ পৰৱৰ্তী পদক্ষেপ গ্ৰহন কৰা হ'ব ।

**এই উত্তৰৰ লগতে পৰিশিষ্ট 'নথি সংলগ্ন', অসম বিধানসভাৰ ৱেবচাইট 'www.cms.neva.gov.in' ত আপল'ড কৰা হৈছে ।

******************

পৰিশিষ্ট 'ক'

# GOVT. OF ASSAM

## OFFICE OF THE DISTRICT ELEMENTARY EDUCATION OFFICER, BAJALI

No: DEEO/Baj/Assembly - Question/2026/693 Date: 18/07/2026

From: Simanta Kumar Deka, AES
District Elementary Education Officer,
Bajali

To

The Director of Elementary Education, Assam
Kahilipara, Guwahati-19

Sub: Reply to Original Unstarred Assembly Question No. 491 (under Dy. No. 33) to be asked by Sri Dharmeswar Roy, Hon'ble MLA.

Ref: Your letter No. EE(Plan)/AQA/32/2026/4 dated 18.07.2026.

Madam,

With reference to the subject cited above, and in compliance with your letter under reference, I am to forward herewith the requisite information pertaining to Point No. (Kha) of the Original Unstarred Assembly Question No. 491 (under Dy. No. 33) as received from the concerned field offices under the jurisdiction of this establishment.

(খ) বজালী জিলা মুঠ ১৩ খন অপ্ৰাদেশীকৃত বিদ্যালয় আছে আৰু তালিকাখন তলত সংলগ্ন কৰা হৈছে -

| Sl. No. | Name of District | Name of DIS/Block | Name of Venture School | LAC |
|---|---|---|---|---|
| 1 | Barpeta | Barpeta | PUB PAKA SARUKHETRI ME SCHOOL | 26 BAJALI |
| 2 | Barpeta | Barpeta | MAITHABARI LP SCHOOL | 26 BAJALI |
| 3 | Bajali | Bajali | KAHARPARA ME SCHOOL | 26 BAJALI |
| 4 | Bajali | Bajali | GOPINATH PRATHAMIK VIDYALAYA | 26 BAJALI |
| 5 | Bajali | Bajali | UTTAR MILANPUR VLP | 26 BAJALI |
| 6 | Bajali | Bajali | 2 NO. MADHABPUR VLPS | 26 BAJALI |
| 7 | Bajali | Bajali | MADHYA DHUMA PATHAR VLPS | 26 BAJALI |
| 8 | Bajali | Bajali | HAZRAT A.B.SIDDIQ (R) MADRASSA & MA | 26 BAJALI |
| 9 | Bajali | Bajali | KATAHABARI BARKUR ME SCHOOL | 26 BAJALI |
| 10 | Bajali | Bajali | KATHALMURIGHAT LPS | 26 BAJALI |
| 11 | Bajali | Bajali | HALONGBARI JANAKALYAN LPS | 26 BAJALI |
| 12 | Bajali | Bajali | PUB DHUMAR PATHER JANAPRIYA LPS | 26 BAJALI |
| 13 | Bajali | Bajali | UTTAR HALANGBARI VLPS | 26 BAJALI |

This is submitted for favour of your kind information and necessary action

Yours Faithfully,

District Elementary Education Officer
Bajali

Memo No: DEEO/Baj/ Assembly - Question/2026/ Date:

Copy to:

1. Office File.

District Elementary Education Officer
Bajali

Scanned with OKEN Scanner